Total No. of Printed Pages—3

**1 SEM TDC ASM M 1**

**2015**

**( November )**

# ASSAMESE

## ( Major )

**Course : 101**

**( অসমীয়া সাহিত্যৰ বুৰঞ্জী )**

*Full Marks* : 80

*Pass Marks* : 32 (Backlog) / 24 (2014 Onwards)

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো আঠটা) : ১×৮=৮

(ক) 'বাৰমাহী গীত'বোৰ কোন শ্ৰেণী গীতৰ অন্তৰ্গত ?

(খ) 'চৰ্যাপদ'সমূহ ক'ৰ পৰা উদ্ধাৰ কৰা হৈছিল ?

(গ) 'প্ৰহ্লাদ-চৰিত্ৰ' পুথিত কেইটা পদ পোৱা যায় ?

(ঘ) মাধৱ কন্দলিৰ পৃষ্ঠপোষক ৰজাগৰাকীৰ নাম কি আছিল ?

(ঙ) 'গীতি-ৰামায়ণ' কাৰ ৰচনা ?

(চ) 'মৃগাৱতী-চৰিত্ৰ'ৰ ৰচক কোন?

(ছ) মাধৱদেৱৰ আজ্ঞা অনুসৰি 'কীৰ্তন-ঘোষা' কোনে পোন-প্ৰথম সংকলিত কৰিছিল?

(জ) 'দৰং-ৰাজ-বংশাৱলী' কাৰ ৰচনা?

(ঝ) দ'ল-দেৱালয়, কাৰেং-মৈদাম আদি সজাৰ জোখ-মাখ ৰখাৰ নিয়ম সন্নিৱিষ্ট বুৰঞ্জীখনৰ নাম কি?

২। (ক) অসমীয়া সাহিত্যৰ প্ৰথম যুগবিভাগ কোনে কৰিছিল? মহেশ্বৰ নেওগে 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' শীৰ্ষক গ্ৰন্থত অসমীয়া সাহিত্যৰ যুগ-বিভাজন কিদৰে কৰিছে, বিতংকৈ আলোচনা কৰা। ১+১৪=১৫

*অথবা*

(খ) অসমীয়া সাহিত্যৰ যুগ-বিভাজনৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যাসমূহ বিতংকৈ আলোচনা কৰি এই সমস্যাসমূহ দূৰীকৰণৰ বাবে তোমাৰ স্বকীয় মতামত আগবঢ়োৱা। ১০+৫=১৫

৩। (ক) অসমীয়া লোকগীতৰ বিভিন্ন দিশ সামৰি এটি নাতিদীৰ্ঘ আলোচনা আগবঢ়োৱা। ১৪

*অথবা*

(খ) অসমীয়া ফকৰা-যোজনা আৰু সাঁথৰ—প্ৰতিটো ভাগৰে উদাহৰণ দি এটি আলোচনা যুগুত কৰা। ৭+৭=১৪

৪। (ক) প্ৰত্ন-অসমীয়া সাহিত্য বুলিলে কি বুজা? এই শ্ৰেণীৰ সাহিত্যৰ বিষয়ে এটি পৰিচয়জ্ঞাপক আলোচনা আগবঢ়োৱা। ২+১২=১৪

*অথবা*

(খ) প্ৰাক্-বৈষ্ণৱ যুগৰ অসমীয়া কবিসকলৰ দ্বাৰা বিৰচিত কাব্যসমূহ তালিকাভুক্ত কৰি হেম সৰস্বতীৰ কাব্যকৃতিৰ বিষয়ে আলোচনা কৰা। ৬+৮=১৪

৫। (ক) বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবিসকলৰ নামোল্লেখ কৰি যি কোনো এজনৰ কাব্যকৃতিৰ লগত তোমাৰ পৰিচয় দাঙি ধৰা। ১৫

*অথবা*

(খ) চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(১) কীৰ্তন-ঘোষা

(২) নাম-ঘোষা

(৩) ভটিমা

(৪) শ্ৰীধৰ কন্দলি

৬। (ক) অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়ে এটি টোকা যুগুত কৰা। ১৪

*অথবা*

(খ) চমু টোকা লিখা (যি কোনো দুটা) : ৭×২=১৪

(১) চৰিত সাহিত্য

(২) ভট্টদেৱৰ গদ্যশৈলী

(৩) ৰামায়ণী সাহিত্য

(৪) কোচ ৰাজপৃষ্ঠপোষকতাত ৰচিত সাহিত্য

★★★